**2015**

ASSAMESE

( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) দ্ৰাবিড় ভাষা-পৰিয়ালৰ এটা ভাষাৰ নাম উল্লেখ কৰা।

(খ) ভাৰতবৰ্ষত কোনটো ভাষাগোষ্ঠীৰ ভাষা সৰ্বাধিক প্ৰচলিত ?

(গ) ইন্দো-ইউৰোপীয় ভাষাসমূহৰ ভিতৰত কোনটো শাখাৰ ভাষাত সৰ্বপ্ৰাচীন সাহিত্যিক নিদৰ্শন পোৱা যায় ?

(ঘ) মধ্য-ভাৰতীয় আৰ্য ভাষাক চমুকৈ কি নামেৰে জনা যায় ?

(ঙ) অপভ্ৰংশ ভাষাৰ স্তৰ কেইটা ?

(চ) অসমীয়া ভাষা কোনটো ভাষাগোষ্ঠীৰ ভিতৰুৱা ?

(ছ) উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ এটা ভাষাৰ নাম লিখা ।

(জ) নাগালেণ্ডৰ সংযোগী ভাষাটোৰ নাম কি ?

(ঝ) নামনি অসমৰ উপভাষাক প্ৰধান কেইটা ভাগত ভগোৱা হয় ?

(ঞ) অসমীয়া ভাষাত ব্যৱহৃত যি কোনো এটা অৰ্ধতৎসম শব্দ লিখা ।

২ । চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনে, কোনটো ভাষা-পৰিয়ালক কেন্টুম আৰু সতম বুলি দুটা ভাগত ভগাইছিল ?

(খ) ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ সুস্পষ্ট স্তৰ কেইটা আৰু কি কি ?

(গ) সাদানী অসমৰ কোন জনগোষ্ঠীৰ ভাষা ? এই ভাষাৰ যি কোনো এটা বৈশিষ্ট্য উল্লেখ কৰা ।

(ঘ) গোৱালপৰীয়া উপভাষাৰ যি কোনো দুটা ৰূপতাত্ত্বিক বৈশিষ্ট্য লিখা ।

(ঙ) অসমৰ কোন অঞ্চলৰ উপভাষাক মধ্য অসমৰ উপভাষা বোলা হয় ?





৩ । যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ কেইটামান ধ্বনিগত বৈশিষ্ট্য উল্লেখ কৰা ।

(খ) পালি ভাষাত সংস্কৃতৰ ঋ-ধ্বনিৰ কেনে পৰিৱৰ্তন ঘটিছে, উদাহৰণসহ লিখা ।

(গ) আদৰ্শ প্ৰাকৃত বুলিলে কোনটো প্ৰাকৃতক বুজা যায় ? এইবিধ প্ৰাকৃতৰ চমু পৰিচয় দিয়া ।

(ঘ) অসমত প্ৰচলিত যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ বিষয়ে চমুকৈ লিখা ।

(ঙ) কামৰূপী উপভাষাৰ অন্তৰ্গত স্থানীয় উপভাষা এটাৰ বিষয়ে লিখা ।

(চ) অসমীয়া ভাষাৰ আৰ্যভিন্ন শব্দ সম্পৰ্কে এটি টোকা যুগুত কৰা ।

৪ । (ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত শাখাসমূহৰ বিষয়ে আলোচনা কৰা । ১০

*অথবা*

(খ) ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ আদিম বাসস্থান ক'ত আছিল ? এই সন্দৰ্ভত বিভিন্ন পণ্ডিতৰ মতামত দাঙি ধৰি তোমাৰ নিজৰ ব্যাখ্যা আগবঢ়োৱা । ১০

৫ । (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময়সীমা কিমান ? এই স্তৰৰ ভাষাগত বৈশিষ্ট্য বিশ্লেষণ কৰা । ১০

*অথবা*

(খ) মাগধী প্ৰাকৃতৰ লগত অসমীয়া ভাষাৰ কেনেধৰণৰ সম্পৰ্ক ৰক্ষিত হৈ আছে, বুজাই লিখা। ১০

৬। (ক) অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বত তিব্বত-বৰ্মী ভাষাৰ কেনেধৰণৰ প্ৰভাৱ পৰিছে, ফঁহিয়াই লিখা। ১০

৭। (ক) মান্য অসমীয়াৰ সৈতে মধ্য অসমৰ উপভাষাৰ পাৰ্থক্য নিৰূপণ কৰা। ১০

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে আলোচনা কৰা। ১০

★★★